# গোৱালপাৰা মহাবিদ্যালয়ত প্ৰাক্তন সতীৰ্থ সমাৰোহ



নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ২১ মে'ঃ '১৯৫৫ চনতে স্থাপন হোৱা গোৱালপাৰা মহাবিদ্যালয়ৰ শৈক্ষিক ইতিহাস, আন্তঃগাঁথনিৰ সন্তোষজনক স্থিতি, ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ লক্ষ্য কৰিলে মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ পূৰ্ণ সম্ভাৱনা আছে।' গোৱালপাৰা মহাবিদ্যালয়ৰ চৌহদত আজি অনুষ্ঠিত 'প্ৰাক্তন সতীৰ্থ সমাৰোহ' উৎসৱত স্মৃতিগ্ৰন্থ 'স্মৃতি অক্ষৰ' উন্মোচন কৰি জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে এইদৰে কয়। মহাবিদ্যালয়খনত আয়োজিত সতীৰ্থ সন্মিলনত মহাবিদ্যালয়খনৰ পৰা সগৌৰৱে উত্তীৰ্ণ হৈ যোৱা প্ৰতিভাধৰ ছাত্ৰ-ছাত্ৰী, বিশিষ্ট শিক্ষাবিদ, শিল্পী-সাহিত্যিক, বিজ্ঞানী, স্থপতিসকলে এৰি যোৱা শিক্ষানুষ্ঠানখনৰ চৌহদত পদাৰ্পণ কৰিয়েই পুৰণি স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী, স্মৃতিগ্ৰন্থৰ অন্যতম সম্পাদক তথা কাৰ্যকৰী সভাপতি ড° অহিজুদ্দিন শ্বেখ, প্ৰাক্তন অধ্যাপক ড° মোছাৱাফুদ্দিন আহমেদে ভাষণ প্ৰদান কৰে।